NEWZ NOW

সংখ্যা ২০ | শুকুৰবাৰ, ১৩ নৱেম্বৰ ২০২৬ | অসমৰ ডিজিটেল বাতৰি কাকত

অসম

কাজিৰঙাৰ ৰঙাজানত ভয়ংকৰ পথ দুৰ্ঘটনা, ২৫ জন লোকৰ মৃত্যু

ৰঙাজানত যাত্রীবাহী ট্রেভেলাৰে কণ্টেইনাৰ বাহনক খুন্দা মৰাত ২৫ জনতকৈ অধিক লোকৰ মৃত্যু হোৱা বুলি প্রাথমিকভাৱে জানিব পৰা গৈছে। উদ্ধাৰ অভিযান অব্যাহত আছে।



NewzNow ডেস্ক | ১৩ নৱেম্বৰ ২০২৬, আবেলি ৪:০৩

কাজিৰঙা, ১৩ নৱেম্বৰ: কাজিৰঙাৰ ৰঙাজানত সংঘটিত হৈছে এক ভয়ংকৰ পথ দুৰ্ঘটনা। তীব্রবেগী যাত্রীবাহী ট্রেভেলাৰ এখনৰ সৈতে কণ্টেইনাৰ ট্রাকৰ সংঘৰ্ষৰ ফলত ২৫ জনতকৈ অধিক লোকৰ মৃত্যু হোৱা বুলি প্রাথমিকভাৱে জানিব পৰা গৈছে। অৱশ্যে মৃত্যুৰ সংখ্যা এতিয়াও আনুষ্ঠানিকভাৱে নিশ্চিত কৰা হোৱা নাই।

প্রাপ্ত তথ্য অনুসৰি, যোৰহাটৰ পৰা নগাঁও অভিমুখে গৈ থকা AS02 AC 6690 নম্বৰৰ ট্রেভেলাৰখন...

সম্পূর্ণ খবৰ:
https://newznow.in/news/2736

অসম

ৰঙাজান দুৰ্ঘটনাত মুখ্যমন্ত্রীৰ শোক, আহতসকলৰ উন্নত চিকিৎসাৰ নির্দেশ



গুৱাহাটী, ১৩ নৱেম্বৰ: কাজিৰঙাৰ ৰঙাজানত সংঘটিত ভয়ংকৰ পথ দুৰ্ঘটনাত গভীৰ শোক প্রকাশ কৰিছে মুখ্যমন্ত্রী ডক্টৰ হিমন্ত বিশ্ব শর্মাই।

পঢ়ক: https://newznow.in/news/2774

অসম

ৰঙাজান দুৰ্ঘটনা: ঠিকাদাৰ-ৰাজনীতিকৰ মিতিৰালিৰ অভিযোগ গৌৰৱ গগৈৰ



গুৱাহাটী, ১৩ নৱেম্বৰ: কাজিৰঙাৰ ৰঙাজানত সংঘটিত ভয়ংকৰ পথ দুৰ্ঘটনাক লৈ ৰাজ্য চৰকাৰ আৰু ৰাষ্ট্রীয় ঘাইপথৰ নির্মাণ তথা মেৰামতি ব্যৱস্থাক সমালোচনা কৰিছে কং...

পঢ়ক: https://newznow.in/news/2816

অসম

ৰঙাজান দুৰ্ঘটনাত নিহতৰ পৰিয়াললৈ ২৫ লাখ টকা ক্ষতিপূৰণৰ দাবী অখিল গগৈৰ



গুৱাহাটী, ১৩ নৱেম্বৰ: কাজিৰঙাৰ ৰঙাজানত সংঘটিত ভয়ংকৰ পথ দুৰ্ঘটনাত নিহত প্রতিগৰাকী লোকৰ পৰিয়ালক কমেও ২৫ লাখ টকাকৈ ক্ষতিপূৰণ প্রদানৰ দাবী জনাইছে ৰাইজৰ...

পঢ়ক: https://newznow.in/news/2827

অসম

কাজিৰঙা দুৰ্ঘটনা: ট্রেভেলাৰ ভুল লেনত অহাৰ অভিযোগ ট্রাকচালকৰ



কাজিৰঙাত সংঘটিত মাৰাত্মক পথ দুৰ্ঘটনাক লৈ ট্রাকচালকজনে অভিযোগ কৰিছে যে, ট্রেভেলাৰখন ভুল লেনত তীব্র বেগে আহি ট্রাকখনত সন্মুখৰ পৰা খুন্দা মাৰিছিল।

পঢ়ক: https://newznow.in/news/2804

ভিতৰৰ পাতত

অসম: কাজিৰঙাত দুৰ্ঘটনাগ্রস্ত ট্রেভেলাৰখ...

ৰাজনীতি: 'মোৰ ফোন টেপ কৰা হৈছে': প্রধানমন্ত...

দেশ: মহিলা সংৰক্ষণ কার্যকৰী কৰিবলৈ বিশে...

উত্তৰ-পূর্বাঞ্চল: মণিপুৰৰ উখৰুলত দুখন বাহনক লক্ষ্য ক...

অসম

কাজিৰঙাত দুর্ঘটনাগ্রস্ত ট্রেভেলাৰখনৰ বিৰুদ্ধে পূর্বৰ একাধিক জৰিমনা

NewzNow ডেস্ক | ১৩ নৱেম্বৰ ২০২৬, নিশা ৭:২১



কাজিৰঙা: ৰঙাজানত সংঘটিত শোকাৱহ পথ দুর্ঘটনাৰ পাছত দুর্ঘটনাগ্রস্ত ট্রেভেলাৰখনৰ বিৰুদ্ধে পূর্বৰ একাধিক ট্রেফিক নিয়ম উলংঘাৰ তথ্য পোহৰলৈ আহিছে। অত্যধিক গতিত বাহন চলোৱাৰ অভিযোগত পূর্বেও কেইবাবাৰো বাহনখনক জৰিমনা কৰা হৈছিল।

প্রাপ্ত তথ্য অনুসৰি, যোৱা ৩ মার্চত যোৰহাটত ট্রেভেলাৰখনক ৪ হাজাৰ টকাৰ জৰিমনা কৰা হৈছিল। বর্তমানেও বাহনখনৰ নামত ৪ হাজাৰ টকাৰ জৰিমনা অনাদায় হৈ আছে।

ইয়াৰ পূর্বে ২০২৫ চনৰ ২২ আগষ্টত কাজিৰঙাত অত্যধিক গতিত বাহন চলোৱাৰ বাবে ট্রেভেলাৰখনক ৪ হাজাৰ টকাৰ জৰিমনা কৰা হৈছিল।

বাকী অংশ ৱেবছাইটত
সম্পূর্ণ খবৰ:
https://newznow.in/news/2809

দেশ

মহিলা সংৰক্ষণ কার্যকৰী কৰিবলৈ বিশেষ সংসদ অধিৱেশনৰ পৰিকল্পনা কেন্দ্রৰ

NewzNow ডেস্ক | ১৩ নৱেম্বৰ ২০২৬, দুপৰীয়া ৩:১২



নতুন দিল্লী, ১৩ নৱেম্বৰ: মহিলা সংৰক্ষণ কার্যকৰী কৰাৰ সৈতে জড়িত সাংবিধানিক সংশোধনী বিধেয়ক গৃহীত কৰিবলৈ কেন্দ্রীয় চৰকাৰে সংসদৰ বিশেষ অধিৱেশন আহ্বানৰ পৰিকল্পনা কৰিছে। বিধেয়কখন গৃহীত কৰিবলৈ প্রয়োজনীয় দুই-তৃতীয়াংশ সংখ্যাগৰিষ্ঠতা ১৫ৰ পৰা ১৮টা ভোটৰ ব্যৱধানত লাভ কৰিব বুলি চৰকাৰী সূত্রই আশা প্রকাশ কৰিছে।

বিশেষ অধিৱেশনখনৰ তাৰিখ বা সময়সীমা এতিয়াও প্রকাশ কৰা হোৱা নাই। লোকসভাত সাংবিধানিক সংশোধনী বিধেয়ক গৃহীত কৰিবলৈ ৩৬১টা ভোটৰ প্রয়োজন। ৫৪৩ সদস্যৰ লোকসভাত বর্তমান তিনিখন আসন খালী আছে।

বাকী অংশ ৱেবছাইটত
সম্পূর্ণ খবৰ:
https://newznow.in/news/2673

ৰাজনীতি

'মোৰ ফোন টেপ কৰা হৈছে': প্রধানমন্ত্রী মোদীৰ বিৰুদ্ধে ৰাহুলৰ অভিযোগ

NewzNow ডেস্ক | ১৩ নৱেম্বৰ ২০২৬, আবেলি ৪:০৭



নতুন দিল্লী, ১৩ নৱেম্বৰ: প্রধানমন্ত্রী নৰেন্দ্র মোদীৰ বিৰুদ্ধে নিজৰ ফোন টেপ কৰাৰ অভিযোগ উত্থাপন কৰিছে লোকসভাৰ বিৰোধী দলপতি ৰাহুল গান্ধীয়ে।

বাকী অংশ ৱেবছাইটত
সম্পূর্ণ খবৰ:
https://newznow.in/news/2727

উত্তৰ-পূর্বাঞ্চল

মণিপুৰৰ উখৰুলত দুখন বাহনক লক্ষ্য কৰি গুলীচালনা, নিহত ৪ গৰাকী

NewzNow ডেস্ক | ১৩ নৱেম্বৰ ২০২৬, নিশা ৮:০৫



ইম্ফল, ১৩ নৱেম্বৰ: মণিপুৰৰ উখৰুল জিলাত সন্দেহভাজন উগ্রপন্থীয়ে দুখন বাহনক লক্ষ্য কৰি গুলীচালনা কৰাত চাৰিগৰাকী লোক নিহত হৈছে। নিহতসকলৰ ভিতৰত দুগৰাকী পুৰুষ আৰু দুগৰাকী মহিলা আছে।

বাকী অংশ ৱেবছাইটত
সম্পূর্ণ খবৰ:
https://newznow.in/news/2831

আন্তঃৰাষ্ট্ৰীয়

ভাৰতক বিশেষ শুল্ক-সুবিধাৰ আশ্বাস আমেৰিকাৰ, বাণিজ্যচুক্তিত অগ্ৰগতি

NewzNow ডেস্ক | ১৩ নৱেম্বৰ ২০২৬, নিশা ৮:০২



ভাৰত আৰু আমেৰিকাৰ প্ৰস্তাৱিত অন্তৰ্বৰ্তী বাণিজ্যচুক্তিৰ আলোচনাত যথেষ্ট অগ্ৰগতি হৈছে। আমেৰিকাই চূড়ান্ত শুল্ক-গাঁথনি নিৰ্ধাৰণৰ সময়ত প্ৰতিযোগী দেশসমূহৰ তুলনাত ভাৰতক অধিক সুবিধা দিয়াৰ আশ্বাস দিছে বুলি কেন্দ্ৰীয় বাণিজ্য আৰু উদ্যোগ মন্ত্ৰালয়ৰ এজন শীৰ্ষ বিষয়াই জনাইছে।

দুয়োখন দেশে চলিত আৰ্থিক বৰ্ষ শেষ হোৱাৰ আগতেই চুক্তিখন চূড়ান্ত কৰাৰ লক্ষ্যৰে কাম কৰি আছে। বাণিজ্যসচিব ৰাজেশ আগৰৱালে জনোৱা মতে, চলিত মাহৰ আৰম্ভণিতে আমেৰিকাৰ দুজনীয়া এটা প্ৰতিনিধি দল ভাৰতলৈ আহিছিল।

বাকী অংশ ৱেবছাইটত

সম্পূৰ্ণ খবৰ:
https://newznow.in/news/2833

উত্তৰ-পূৰ্বাঞ্চল

মণিপুৰৰ 'এনী কুকি ট্ৰাইবছ' নাম বাদ দিয়াৰ কথিত প্ৰস্তাৱৰ তথ্য প্ৰকাশত অস্বীকাৰ জনজাতি পৰিক্ৰমা মন্ত্ৰালয়ৰ

NewzNow ডেস্ক | ১৩ নৱেম্বৰ ২০২৬, নিশা ৭:১৪



নতুন দিল্লী, ১৩ নৱেম্বৰ: মণিপুৰৰ অনুসূচিত জনজাতিৰ তালিকাৰ পৰা 'এনী কুকি ট্ৰাইবছ' নামটো বাদ দিয়াৰ কথিত প্ৰস্তাৱ সম্পৰ্কীয় তথ্য প্ৰকাশ কৰিবলৈ কেন্দ্ৰীয় জনজাতি পৰিক্ৰমা মন্ত্ৰালয়ে অস্বীকাৰ কৰিছে। জাতিগত হিংসাত জৰ্জৰিত মণিপুৰত এনে তথ্য প্ৰকাশ পালে সম্প্ৰদায়সমূহৰ মাজত উত্তেজনা তীব্ৰ হোৱাৰ লগতে আইন-শৃংখলা পৰিস্থিতিৰ অৱনতি ঘটিব পাৰে বুলি মন্ত্ৰালয়ে আশংকা প্ৰকাশ কৰে।

কেন্দ্ৰীয় তথ্য আয়ুক্ত অশুতোষ চতুৰ্বেদীয়ে মন্ত্ৰালয়ৰ এই স্থিতি বহাল ৰাখিছে।

বাকী অংশ ৱেবছাইটত

সম্পূৰ্ণ খবৰ:
https://newznow.in/news/2805

অসম

এনআৰচি প্ৰক্ৰিয়া সম্পূৰ্ণৰ বাবে চৰকাৰক চাপ দিবলৈ আছুক কংগ্ৰেছৰ আহ্বান

NewzNow জিলা ডেস্ক | ১৩ নৱেম্বৰ ২০২৬, নিশা ৭:৫১



গুৱাহাটী, শুকুৰবাৰ: নিৰ্বাচনী তালিকাৰ বিশেষ পুনৰীক্ষণ (SIR)ৰ দাবীৰ পৰিৱৰ্তে ৰাষ্ট্ৰীয় নাগৰিকপঞ্জী, চমুকৈ এনআৰচি প্ৰক্ৰিয়া সম্পূৰ্ণ কৰাৰ দাবীত ৰাজ্য আৰু কেন্দ্ৰীয় চৰকাৰৰ ওপৰত চাপ সৃষ্টি কৰিবলৈ সদৌ অসম ছাত্ৰ সন্থা, চমুকৈ আছুক আহ্বান জনাইছে অসম প্ৰদেশ কংগ্ৰেছে।


বাকী অংশ ৱেবছাইটত

সম্পূৰ্ণ খবৰ:
https://newznow.in/news/2824

অসম

কাজিৰঙা দুৰ্ঘটনাৰ আহতসকলৰ বাবে ৰক্তদান কৰিব আছু-অসম সেনাই

NewzNow জিলা ডেস্ক | ১৩ নৱেম্বৰ ২০২৬, আবেলি ৬:৪৯



কাজিৰঙাৰ ভয়াৱহ পথ দুৰ্ঘটনাত আহত যাত্ৰীসকলৰ চিকিৎসাৰ বাবে প্ৰয়োজন হ'লে ৰক্তদান কৰিব সদৌ অসম ছাত্ৰ সন্থা চমুকৈ আছু আৰু অসম সেনাই। আছুৰ সভাপতি উৎপল শৰ্মাই ফেচবুক প'ষ্টযোগে এই কথা ঘোষণা কৰে।

বাকী অংশ ৱেবছাইটত

সম্পূৰ্ণ খবৰ:
https://newznow.in/news/2798

অসম

১৫ জানুৱাৰীৰ ভিতৰত কৃষক পঞ্জীয়ন সম্পূৰ্ণ কৰাৰ নির্দেশ পীযুষ হাজৰীকাৰ

NewzNow জিলা ডেস্ক | ১৩ নৱেম্বৰ ২০২৬, আবেলি ৬:৪৩



লখিমপুৰ: কৃষি, জলসিঞ্চন আৰু সংসদীয় পৰিক্ৰমা বিভাগৰ মন্ত্ৰী পীযুষ হাজৰীকাই শুকুৰবাৰে লখিমপুৰ জিলা ভ্ৰমণ কৰি কেইবাটাও কৃষি প্ৰকল্প পৰিদৰ্শন কৰে। জিলা আয়ুক্তৰ কাৰ্যালয়ৰ সভাকক্ষত অনুষ্ঠিত বিভাগীয় পৰ্যালোচনা বৈঠকত তেওঁ সভাপতিত্ব কৰে।

বৈঠকত লখিমপুৰ জিলাত কৃষক পঞ্জীয়ন প্ৰক্ৰিয়াৰ নিৰ্ধাৰিত লক্ষ্যৰ ৮১ শতাংশ সম্পূৰ্ণ হোৱাৰ কথা উল্লেখ কৰা হয়। অহা ১৫ জানুৱাৰীৰ ভিতৰত দৈনিক ন্যূনতম ৪০০জন কৃষকৰ পঞ্জীয়ন সম্পন্ন কৰি সমগ্ৰ প্ৰক্ৰিয়াটো শেষ কৰিবলৈ মন্ত্ৰীগৰাকীয়ে নির্দেশ দিয়ে।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/2796

অসম

পলাশবাৰীত ত্ৰিমূৰ্তি শিখৰ উদ্যোগৰ বিৰুদ্ধে ৰাইজৰ প্ৰতিবাদ

NewzNow জিলা ডেস্ক | ১৩ নৱেম্বৰ ২০২৬, আবেলি ৬:২৯



কুকুৰমাৰা, ১৩ নৱেম্বৰ: পলাশবাৰী সমষ্টিৰ দখলা উপৰহালিত অৱস্থিত ত্ৰিমূৰ্তি শিখৰ উদ্যোগৰ বিৰুদ্ধে স্থানীয় ৰাইজে তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰিছে।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/2792

অসম

২২ নৱেম্বৰত আৰম্ভ হ'ব গহপুৰ-নুমলীগড় সুৰংগ প্ৰকল্পৰ নিবিদা প্ৰক্ৰিয়া; শ্বহীদ কনকলতা বৰুৱা বিশ্ববিদ্যালয়ত মুখ্যমন্ত্ৰী

NewzNow জিলা ডেস্ক | ১৩ নৱেম্বৰ ২০২৬, আবেলি ৬:১২



গুৱাহাটী, ১৩ নৱেম্বৰ: মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই শুকুৰবাৰে গহপুৰৰ ভোলাগুৰি চাহ বাগিচাত নির্মীয়মাণ শ্বহীদ কনকলতা বৰুৱা ৰাজ্যিক বিশ্ববিদ্যালয়ৰ কামৰ অগ্ৰগতি পৰ্যালোচনা কৰে। বিশ্ববিদ্যালয়খনৰ প্ৰস্তাৱিত শিক্ষাৰ্থীৰ আসনসংখ্যা ২ হাজাৰৰ পৰা ৪ হাজাৰলৈ বৃদ্ধি কৰাৰ নির্দেশ দিয়ে তেওঁ।

মুখ্যমন্ত্ৰীগৰাকীয়ে জনোৱা মতে, বিশ্ববিদ্যালয়খনৰ নির্মাণকাৰ্যৰ প্ৰায় ২৫ৰ পৰা ৩০ শতাংশ কাম সম্পূৰ্ণ হৈছে। অতিৰিক্ত ২ হাজাৰ শিক্ষাৰ্থীৰ বাবে প্ৰয়োজনীয় আন্তঃগাঁথনি সংযোজন কৰিবলৈ বিষয়াসকলক নির্দেশ দিয়া হৈছে।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/2788

অসম

ৰৌতা পৌৰসভা ভংগৰ দাবীত অৱস্থান ধর্মঘট

NewzNow ডেস্ক | ১৩ নৱেম্বৰ ২০২৬, আবেলি ৫:৪২



ৰৌতা: পৌৰসভাখন ভংগৰ দাবীত ৰৌতা গ্ৰাম্য সুৰক্ষা সমিতিয়ে বৃহৎ অৱস্থান ধর্মঘট কার্যসূচী ৰূপায়ণ কৰিছে। বিগত তিনিমাহ পূৰ্বে গঠন হোৱা পৌৰসভাখন ভংগ কৰাৰ দাবীৰে সমিতিখনে প্ৰতিবাদ সাব্যস্ত কৰে।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/2778

দেশ

পুৰীলৈ যোৱাৰ পথত ভয়ংকৰ দুর্ঘটনা, ট্রাকত খুন্দা বাছৰ, আহত ১৬জন

NewzNow ডেস্ক | ১৩ নৱেম্বৰ ২০২৬, আবেলি ৬:১০



জাজপুৰ, শুকুৰবাৰ: পশ্চিমবংগৰ পৰা পুৰীলৈ যোৱা এখন যাত্রীবাহী বাছ ওড়িশাৰ জাজপুৰত দুর্ঘটনাগ্রস্ত হৈছে। পথৰ কাষত ৰখাই থোৱা এখন ট্রাকত বাছখনে পিছফালৰ পৰা জোৰে খুন্দা মাৰে।

বাছখনত ৫৫জন যাত্রী আছিল। এই দুর্ঘটনাত কমেও ১৬জন যাত্রী আহত হৈছে। আহতসকলৰ ভিতৰত ৯জনৰ অৱস্থা আশংকাজনক বুলি জানিব পৰা গৈছে।

দুজন আহতক উন্নত চিকিৎসাৰ বাবে কটকলৈ প্রেৰণ কৰা হৈছে। আন কেইবাজনক এম্বুলেন্সেৰে ওচৰৰ চিকিৎসালয়লৈ নিয়া হয়। ঘটনাস্থলতে কোনো কোনো যাত্রীক প্রাথমিক চিকিৎসাও দিয়া হয়।

বাকী অংশ ৰেবছাইটত
সম্পূর্ণ খবৰ:
https://newznow.in/news/2782

অসম

জাগীৰোডৰ শিলচাঙত বন্যহস্তীৰ মৃতদেহ উদ্ধাৰ, মূৰত দুটাকৈ গুলীৰ চিন

NewzNow ডেস্ক | ১৩ নৱেম্বৰ ২০২৬, আবেলি ৫:৩৮




জাগীৰোড, ১৩ নৱেম্বৰ: মৰিগাঁও জিলাৰ জাগীৰোডৰ শিলচাঙত পুৱতিনিশা এটা বন্যহস্তীৰ মৃতদেহ উদ্ধাৰ হৈছে।

বাকী অংশ ৰেবছাইটত
সম্পূর্ণ খবৰ:
https://newznow.in/news/2770

অসম

মোবাইল সেৱাৰ মাচুল বৃদ্ধিৰ পোষকতা এয়াৰটেলৰ অধ্যক্ষ সুনীল মিত্তলৰ

NewzNow ডেস্ক | ১৩ নৱেম্বৰ ২০২৬, আবেলি ৫:২৭



নতুন দিল্লী, ১৩ নৱেম্বৰ: ভাৰতত মোবাইল সেৱাৰ মাচুল বৃদ্ধি কৰাৰ পোষকতা কৰিছে ভাৰতী এয়াৰটেলৰ প্রতিষ্ঠাপক তথা অধ্যক্ষ সুনীল ভাৰতী মিত্তলে। তেওঁৰ মতে, দেশত এজন গ্রাহকৰ পৰা টেলিকম কোম্পানীসমূহে মাহে গড়ে প্রায় ৩৫০ টকা উপার্জন কৰা উচিত। বর্তমানৰ মাচুলে নেটৱর্ক পৰিচালনা আৰু নতুন আন্তঃগাঁথনি নির্মাণৰ ক্রমবর্ধমান ব্যয় বহন কৰিবলৈ পর্যাপ্ত নহয় বুলি তেওঁ যুক্তি দিছে।

বৃহস্পতিবাৰে ভাৰতী এণ্টাৰপ্রাইজেছৰ ৫০ বছৰ সম্পূর্ণ হোৱা উপলক্ষে পিটিআইক দিয়া এক সাক্ষাৎকাৰত মিত্তলে কয় যে প্রায় দহ বছৰ পূর্বে তেওঁ মোবাইল সেৱাৰ বাবে মাহে ৩০০...

বাকী অংশ ৰেবছাইটত
সম্পূর্ণ খবৰ:
https://newznow.in/news/2766

দেশ

ৰসগোল্লা মুখত দিয়াৰ লগে লগে বিস্ফোৰণ! মৃত্যু যুৱক

NewzNow ডেস্ক | ১৩ নৱেম্বৰ ২০২৬, আবেলি ৫:২১



ডিণ্ডোৰী, ৩ নৱেম্বৰ: ৰসগোল্লাৰ ভিতৰত লুকুৱাই থোৱা দেশীয় বোমা মুখৰ ভিতৰতে বিস্ফোৰণ ঘটাত ৩৫ বছৰীয়া এজন যুৱকৰ মৃত্যু হৈছে। মধ্যপ্রদেশৰ ডিণ্ডোৰী জিলাৰ পৰৰীয়া ছাঁটা গাঁৱত যোৱা মঙলবাৰে নিশা প্রায় ৮ বজাত এই ঘটনা সংঘটিত হয়।

বাকী অংশ ৰেবছাইটত
সম্পূর্ণ খবৰ:
https://newznow.in/news/2762

উত্তৰ-পূৰ্বাঞ্চল

মণিপুৰ হিংসা তদন্ত আয়োগৰ সময়সীমা সপ্তমবাৰৰ বাবে বৃদ্ধি

NewzNow ডেস্ক | ১৩ নৱেম্বৰ ২০২৬, আবেলি ৪:৪৯



নতুন দিল্লী, ১৩ নৱেম্বৰ: ২০২৩ চনত মণিপুৰত সংঘটিত জনগোষ্ঠীগত হিংসাত্মক ঘটনাৰ তদন্তৰ বাবে গঠন কৰা আয়োগৰ কাৰ্যকাল পুনৰ বৃদ্ধি কৰিছে কেন্দ্ৰীয় চৰকাৰে। সপ্তমবাৰৰ বাবে সময়সীমা বৃদ্ধি কৰি আয়োগক ২০২৭ চনৰ ২০ মে'ৰ ভিতৰত প্ৰতিবেদন দাখিল কৰিবলৈ নিৰ্দেশ দিয়া হৈছে।

শুকুৰবাৰে জাৰি কৰা চৰকাৰী নিৰ্দেশ অনুসৰি, মণিপুৰৰ হিংসাত্মক ঘটনাৰ কাৰণ, ঘটনাক্ৰম আৰু প্ৰশাসনিক ব্যৱস্থাৰ ভূমিকা পৰীক্ষা কৰি আয়োগে কেন্দ্ৰীয় চৰকাৰক প্ৰতিবেদন দাখিল কৰিব লাগিব। এই সময়সীমা বৃদ্ধিৰ ফলত তদন্ত প্ৰক্ৰিয়া সম্পূৰ্ণ কৰিবলৈ আয়োগে আৰু প্ৰায় ছমাহ সময় লাভ কৰিলে।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/2751

দেশ

মাইক্ৰ'ছফটৰ বিভ্ৰান্তিৰ বাবে দিল্লীৰ পৰা বাতিল স্পাইচজেটৰ ৩খন বিমান

NewzNow ডেস্ক | ১৩ নৱেম্বৰ ২০২৬, আবেলি ৪:৪৭



বিশ্বজুৰি মাইক্ৰ'ছফটৰ বিভিন্ন সেৱাত দেখা দিয়া কাৰিকৰী বিভ্ৰাটৰ প্ৰভাৱ ভাৰতৰ বিমান সেৱাতো পৰিছে। বিভ্ৰাটৰ ফলত দিল্লীৰ পৰা স্পাইচজেটৰ ৩খন বিমান বাতিল কৰা হৈছে।

শুকুৰবাৰে পুৱা দিল্লীৰ পৰা পুনে, লেহ আৰু মুম্বাই অভিমুখী স্পাইচজেটৰ বিমানকেইখন বাতিল কৰা হয়।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/2755

অসম

আইতাকৰ শেষকৃত্যত অংশ ল'বলৈ অমৃতপাল সিঙক এদিনৰ অন্তৰ্বৰ্তীকালীন জামিন

NewzNow ডেস্ক | ১৩ নৱেম্বৰ ২০২৬, আবেলি ৪:২৬



অমৃতসৰ, ১৩ নৱেম্বৰ: আইতাক চৰণ কৌৰৰ শেষকৃত্যত অংশগ্ৰহণৰ বাবে অসমৰ ডিব্ৰুগড় কেন্দ্ৰীয় কাৰাগাৰত বন্দী খড়ুৰ চাহিবৰ সাংসদ অমৃতপাল সিঙক এদিনৰ অন্তৰ্বৰ্তীকালীন জামিন মঞ্জুৰ কৰিছে অমৃতসৰৰ এখন আদালতে।

১৪ নৱেম্বৰত আইতাকৰ শেষকৃত্যত অংশ ল'ব পাৰিব অমৃতপাল সিঙে। ৮৪ বছৰীয়া চৰণ কৌৰৰ যোৱা ৮ নৱেম্বৰত দীৰ্ঘদিনীয়া অসুস্থতাৰ পাছত মৃত্যু হৈছিল।

অমৃতপাল সিঙৰ উপস্থিতিত শেষকৃত্য সম্পন্ন কৰাৰ ইচ্ছা প্ৰকাশ কৰি পৰিয়ালে আদালতৰ পৰা সাময়িক সকাহ বিচাৰিছিল।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/2740

ব্যৱসায়-বাণিজ্য

অক্টোবৰত ভাৰতৰ মুঠ ৰপ্তানি ২৯.৯ শতাংশ বৃদ্ধি, ৮৯.৯৯ বিলিয়ন ডলাৰলৈ উন্নীত

NewzNow ডেস্ক | ১৩ নৱেম্বৰ ২০২৬, দুপৰীয়া ৩:৫৫



নতুন দিল্লী, ১৩ নৱেম্বৰ: ২০২৬ চনৰ অক্টোবৰত ভাৰতৰ সামগ্ৰী আৰু সেৱা খণ্ডৰ মুঠ ৰপ্তানি বিগত বছৰৰ একে সময়ছোৱাৰ তুলনাত ২৯.৯ শতাংশ বৃদ্ধি পাই ৮৯.৯৯ বিলিয়ন ডলাৰত উপনীত হৈছে।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/2724

অসম

'শিল-কয়লা খনন কৰিবলৈ দিয়া নহ'ব': চিতু বৰুৱা

NewzNow ডেস্ক | ১৩ নৱেম্বৰ ২০২৬, দুপৰীয়া ৩:৫০



শিৱসাগৰ, ১৩ নৱেম্বৰ:'বৈধ হওঁক বা অবৈধ! শিল-কয়লা খনন কৰিবলৈ দিয়া নহ'ব' । ১৯ জুলাইত হোৱা প্ৰলয়ংকাৰী বানৰ আমি ভুক্তভোগী

শিল খননেই হওক বা কয়লা খননেই হওক, বৈধ অথবা অবৈধ - কোনো ধৰণৰ খনন কাৰ্য কৰিবলৈ দিয়া নহ'ব বুলি সকীয়নি দিছে চিতু বৰুৱাই।

১৯ জুলাইত হোৱা প্ৰলয়ংকাৰী বানৰ অভিজ্ঞতাৰ কথা উল্লেখ কৰি খনন কাৰ্যৰ বিৰুদ্ধে সৰৱ হৈ পৰে তেওঁ।

কেৱল ৰাস্তা নিৰ্মাণ বা নগৰত উৰণ সেতু নিৰ্মাণ কৰিলেই দেশৰ প্ৰকৃত উন্নয়ন বুলি ক'ব নোৱাৰি বুলিও মন্তব্য কৰে বৰুৱাই।

তেওঁৰ মতে, দেশৰ প্ৰতিটো পৰিয়ালে কোনো সংকোচ নোহোৱাকৈ দুবেলা দুমুঠি অন্নৰ ব্যৱস্থা কৰিব পাৰিলেহে প...

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/2719

অসম

১৪ ডিচেম্বৰৰ পৰা অসম বিধানসভাৰ শীতকালীন অধিৱেশন

NewzNow ডেস্ক | ১৩ নৱেম্বৰ ২০২৬, দুপৰীয়া ৩:৪৪



দিছপুৰ, ১৩ নৱেম্বৰ: অহা ১৪ ডিচেম্বৰৰ পৰা অসম বিধানসভাৰ শীতকালীন অধিৱেশন আৰম্ভ হ'ব। ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই ষষ্ঠদশ অসম বিধানসভাৰ এই অধিৱেশন আহ্বান কৰিছে।

অসম বিধানসভা সচিবালয়ে জাৰি কৰা চৰকাৰী জাননী অনুসৰি, ১৪ ডিচেম্বৰৰ পুৱা ৯.৩০ বজাত দিছপুৰস্থিত বিধানসভা কক্ষত অধিৱেশনৰ প্ৰথম বৈঠক অনুষ্ঠিত হ'ব। ভাৰতীয় সংবিধানৰ ১৭৪ নং অনুচ্ছেদৰ ১ নং দফাই প্ৰদান কৰা ক্ষমতা প্ৰয়োগ কৰি ৰাজ্যপালে এই অধিৱেশন আহ্বান কৰিছে।

ষষ্ঠদশ অসম বিধানসভাৰ এয়া হ'ব তৃতীয়খন অধিৱেশন। অধিৱেশনত ২০২৬-২৭ বিত্তীয় বৰ্ষৰ পৰিপূৰক বাজেট উত্থাপনৰ লগতে কেইবাখনো গুৰুত্বপূৰ্ণ বিধেয়ক উত্থাপনৰ সম্ভাৱনা আছে।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/2712

অসম

উচ্ছেদৰ বিৰুদ্ধে ১৯ নৱেম্বৰত দিল্লীত প্ৰতিবাদৰ ঘোষণা এবিএমএছইউৰ

NewzNow জিলা ডেস্ক | ১৩ নৱেম্বৰ ২০২৬, দুপৰীয়া ৩:৪০



তামুলপুৰ, ১৩ নৱেম্বৰ: অসমত সংখ্যালঘু সম্প্ৰদায়ক বাছি বাছি উচ্ছেদ অভিযান চলোৱাৰ অভিযোগ তুলি ইয়াৰ তীব্ৰ বিৰোধিতা কৰিছে অল বড়োলেণ্ড সংখ্যালঘু ছাত্ৰ সন্থাই।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/2698

অসম

জাগীৰোডত কেইবাটাও দাবীৰে তিৰা সংগঠনৰ গণধৰ্ণা

NewzNow ডেস্ক | ১৩ নৱেম্বৰ ২০২৬, দুপৰীয়া ২:৪০



জাগীৰোডঃ জাগীৰোডত কেইবাটাও গুৰুত্বপূৰ্ণ দাবীৰে গণধৰ্ণা কাৰ্যসূচী ৰূপায়ণ কৰে তিৰা জনগোষ্ঠীৰ বিভিন্ন সংগঠনে।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/2669

অসম

৪৬ দিনত ভৰি দিলে চিচিবৰগাঁৱৰ সমজিলা কার্যালয়ৰ দাবীত আন্দোলনে

NewzNow ডেস্ক | ১৩ নৱেম্বৰ ২০২৬, দুপৰীয়া ৩:৪৪



চিচিবৰগাঁও, ৪৬ দিন ধৰি সমজিলা কার্যালয় স্থাপনৰ দাবীত চলি থকা ধাৰাবাহিক আন্দোলন অব্যাহত আছে। যোৱা ২৮ ছেপ্টেম্বৰৰ পৰা চিচিবৰগাঁওবাসীয়ে বিভিন্ন প্রতিবাদী কার্যসূচী গ্রহণ কৰি আহিছে।

আবেদন-নিবেদন, গায়ন-বায়ন, নাম-কীর্তন, ধর্মঘট আৰু জোঁৰ সমদলৰ পাছতো দাবী পূৰণ নোহোৱাত প্রতিবাদকাৰীসকলে ক্ষোভ প্রকাশ কৰিছে।

ধেমাজি জিলা জনজাতি জিৰণি ঘৰত অনুষ্ঠিত এক সংবাদমেলত চিচিবৰগাঁও সমজিলা কার্যালয় দাবী সমিতিয়ে সাংসদ প্রদান বৰুৱা আৰু বিধায়ক জীৱন গগৈৰ বিৰুদ্ধে ষড়যন্ত্রৰ অভিযোগ উত্থাপন কৰে।

বাকী অংশ ৱেবছাইটত
সম্পূর্ণ খবৰ:
https://newznow.in/news/2716

উত্তৰ-পূর্বাঞ্চল

মণিপুৰ আৰক্ষীৰ বিৰুদ্ধে জনগোষ্ঠীগত পক্ষপাতিত্বৰ অভিযোগ কুকি ইনপিৰ, ৭২ ঘণ্টাৰ সময়সীমা নির্ধাৰণ

NewzNow ডেস্ক | ১৩ নৱেম্বৰ ২০২৬, দুপৰীয়া ৩:৩৬



গুৱাহাটী, ১৩ নৱেম্বৰ: মণিপুৰ আৰক্ষীৰ বিৰুদ্ধে জনগোষ্ঠীগত পক্ষপাতিত্বৰ অভিযোগ উত্থাপন কৰি কুকি জনগোষ্ঠীৰ শীর্ষ সংগঠন কুকি ইনপি মণিপুৰে আৰক্ষীক ৭২ ঘণ্টাৰ সময়সীমা বান্ধি দিছে।

বাকী অংশ ৱেবছাইটত
সম্পূর্ণ খবৰ:
https://newznow.in/news/2691

অসম

শ্রীভূমিত ভয়ংকৰ হত্যাকাণ্ড! দুই ভাতৃক হত্যা, পিতৃ-মাতৃসহ আন এজন ভাতৃক আক্রমণ

NewzNow ডেস্ক | ১৩ নৱেম্বৰ ২০২৬, দুপৰীয়া ১:৩২



শ্রীভূমি, ১৩ নৱেম্বৰ: শ্রীভূমি জিলাৰ দক্ষিণ কৰিমগঞ্জৰ নিলামবজাৰৰ গোলাঘাটত মাজনিশা সংঘটিত এক আক্রমণত দুই নাবালক ভাতৃৰ মৃত্যু হৈছে।

নিহত দুয়োজন হৈছে জাহাংগীৰ হুছেইন (৮) আৰু আলম উদ্দিন (৭)।

এই ঘটনাত তেওঁলোকৰ পিতৃ খলিল উদ্দিন, মাতৃ আলিয়া বেগম আৰু আন এজন ভাতৃ আলতাফ হুছেইন গুৰুতৰভাৱে আহত হৈছে। আহত তিনিওজনকে সংকটজনক অৱস্থাত শিলচৰ চিকিৎসা মহাবিদ্যালয় হাস্পতাললৈ প্রেৰণ কৰা হৈছে।

ফাৰুক আহমেদ নামৰ এজন যুৱকৰ বিৰুদ্ধে দুই ভাতৃক হত্যা কৰাৰ লগতে পৰিয়ালটোৰ আন তিনিজন সদস্যৰ ওপৰত প্রাণঘাতী আক্রমণ চলোৱাৰ অভিযোগ উত্থাপন হৈছে।

ঘটনাৰ পিছতে নিশাই নিলামবজাৰ আৰক্ষীয়ে অভিযুক্ত ফাৰুক আহমেদক আটক কৰে। ঘটনাস্থলীত আৰক্ষীৰ দল উপস্থিত হৈ তদন্ত অব্যাহত ৰাখিছে।

আৰক্ষীৰ প্রাৰম্ভিক সন্দেহ অনুসৰি, নিচাসক্ত অৱস্থাত পাৰিবাৰিক কন্দলৰ পৰিণতিত এই ঘটনা সংঘটিত হ'ব পাৰে। অৱশ্যে তদন্তৰ পিছতহে ঘটনাৰ প্রকৃত কাৰণ স্পষ্ট হ'ব।

সম্পূর্ণ খবৰ:
https://newznow.in/news/2665

দেশ

'মুখামুখি বিতর্ক হওঁক,মুখামুখি বিতর্ক হ'লে মোদী আৰু প্রধানমন্ত্রী হৈ নাথাকিব'-মোদীক প্রত্যাহ্বান ৰাহুল গান্ধীৰ

NewzNow ডেস্ক | ১৩ নৱেম্বৰ ২০২৬, দুপৰীয়া ১২:৪৪



নতুন দিল্লী, ১৩ নৱেম্বৰ: 'মুখামুখি বিতর্ক হওঁক,মুখামুখি বিতর্ক হ'লে মোদী আৰু প্রধানমন্ত্রী হৈ নাথাকিব'-মোদীক প্রত্যাহ্বান ৰাহুল গান্ধীৰ । লোকসভাৰ বিৰোধী দলপতি তথা কংগ্রেছ নেতা ৰাহুল গান্ধীয়ে প্রধানমন্ত্রী নৰেন্দ্র মোদীক একক ৰাজহুৱা বিতর্কত অংশ লোৱাৰ প্রত্যাহ্বান পুনৰ জনাইছে। এনে বিতর্কৰ পাছত মোদী প্রধানমন্ত্রী পদত নাথাকিব বুলি তেওঁ দাবী কৰে।

শুকুৰবাৰে ইনষ্টাগ্রামৰ 'আস্ক মি' সত্রত এক প্রশ্নৰ উত্তৰত গান্ধীয়ে কয় যে, সংসদত তেওঁক কথা ক'বলৈ দিয়া নহয় আৰু তেওঁৰ মাইক্র'ফোনো বন্ধ কৰি দিয়া হয়।

বাকী অংশ ৰেবছাইটত
সম্পূর্ণ খবৰ:
https://newznow.in/news/2657

দেশ

শিশুৰ ছ'চিয়েল মিডিয়া ব্যৱহাৰ সুৰক্ষিত কৰিবলৈ নতুন নির্দেশনা প্রস্তুত, ২০২৭ৰ প্রথমার্ধত প্রকাশৰ লক্ষ্য

NewzNow ডেস্ক | ১৩ নৱেম্বৰ ২০২৬, পুৱা ১০:৪৩



নতুন দিল্লী, ১৩ নৱেম্বৰ: শিশুসকলৰ ছ'চিয়েল মিডিয়া আৰু অনলাইন গেমিং প্লেটফর্মৰ ব্যৱহাৰ অধিক সুৰক্ষিত কৰাৰ লক্ষ্যৰে নতুন নির্দেশনা প্রস্তুতৰ কাম প্রায় সম্পূর্ণ কৰিছে ৰাষ্ট্রীয় শিশু অধিকাৰ সুৰক্ষা আয়োগে (NCPCR)। ২০২৭ চনৰ প্রথমার্ধত এই নির্দেশনা চূড়ান্তভাৱে প্রকাশ কৰাৰ লক্ষ্য নির্ধাৰণ কৰিছে আয়োগে।

বৃহস্পতিবাৰে ছ'চিয়েল মিডিয়া আৰু অনলাইন গেমিং কোম্পানীসমূহৰ সৈতে আয়োগে অন্তিমখন অংশীদাৰ বৈঠক অনুষ্ঠিত কৰে।

বাকী অংশ ৰেবছাইটত
সম্পূর্ণ খবৰ:
https://newznow.in/news/2641

অসম

লখিমপুৰৰ বগীনদীত উচ্ছেদ অভিযান, ১৩২টা পৰিয়ালৰ বাসগৃহত চলিল বুলড'জাৰ

NewzNow ডেস্ক | ১৩ নৱেম্বৰ ২০২৬, দুপৰীয়া ১২:১৬



চৰকাৰী ভূমি বেদখলমুক্ত কৰাৰ লক্ষ্যৰে চলোৱা হৈছে এই অভিযান। প্রশাসনে মুঠ ৩২০ হেক্টৰ ভূমি বেদখলমুক্ত কৰাৰ লক্ষ্য নির্ধাৰণ কৰিছে। উচ্ছেদ অভিযানৰ সময়ত বুলড'জাৰেৰে ভাঙি পেলোৱা হৈছে ১৩২টা পৰিয়ালৰ ঘৰ-দুৱাৰ।

বাকী অংশ ৰেবছাইটত
সম্পূর্ণ খবৰ:
https://newznow.in/news/2653

দেশ

ভাৰতে মানসম্পন্ন চাকৰি সৃষ্টি আৰু উৎপাদনশীলতা বৃদ্ধিক অগ্রাধিকাৰ দিয়াৰ পৰামর্শ IMF-ৰ

NewzNow ডেস্ক | ১৩ নৱেম্বৰ ২০২৬, পুৱা ১০:৩৬



ৱাশ্বিংটন, ১২ নৱেম্বৰ: ভাৰতৰ মধ্যম্যাদী ৬.৮ শতাংশ সম্ভাব্য অর্থনৈতিক বৃদ্ধিৰ লক্ষ্যত উপনীত হ'বলৈ উৎপাদনশীলতা বৃদ্ধিৰ গতি ত্বৰান্বিত কৰা, ব্যক্তিগত খণ্ডৰ বিনিয়োগ শক্তিশালী কৰা আৰু মানসম্পন্ন চাকৰি সৃষ্টিৰ হাৰ বঢ়োৱাৰ প্রয়োজন বুলি জনাইছে আন্তঃৰাষ্ট্রীয় মুদ্রা নিধিয়ে।

বাকী অংশ ৰেবছাইটত
সম্পূর্ণ খবৰ:
https://newznow.in/news/2639

আন্তঃৰাষ্ট্ৰীয়

Jensen Huangৰ পদত্যাগত বিশ্বজুৰি জোকাৰণি, চীনৰ সৈতে সম্পৰ্কক লৈ NVIDIAৰ ওপৰত ৰাষ্ট্ৰীয় নিৰাপত্তাৰ প্ৰশ্ন

NewzNow ডেস্ক | ১৩ নৱেম্বৰ ২০২৬, পুৱা ১০:১৮



NVIDIAৰ সহ-প্ৰতিষ্ঠাপক তথা দীৰ্ঘদিনীয়া মুখ্য কাৰ্যবাহী বিষয়া জেনছেন হুৱাঙে ১২ নৱেম্বৰৰ বৃহস্পতিবাৰে তাৎক্ষণিকভাৱে পদত্যাগ কৰিছে। প্ৰতিষ্ঠানটোৰ পৰিচালনা সমিতিয়ে কাৰ্যবাহী উপ-সভাপতি তথা মুখ্য বিত্তীয় বিষয়া ক'লেট ক্ৰেছক অন্তৰ্বৰ্তীকালীন মুখ্য কাৰ্যবাহী বিষয়া হিচাপে নিযুক্তি দিছে। ক্ৰেছে একে সময়তে মুখ্য বিত্তীয় বিষয়াৰ দায়িত্বও পালন কৰিব। পৰিচালনা সমিতিয়ে দীৰ্ঘদিনীয়া সদস্য হাৰ্ভে চি. জোনছক প্ৰতিষ্ঠানটোৰ প্ৰথমগৰাকী ব'ৰ্ড অধ্যক্ষ হিচাপে নিযুক্তি দিছে।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/2604

উত্তৰ-পূৰ্বাঞ্চল

চলচ্চিত্ৰৰ অডিচনৰ প্ৰলোভন: মানৱ সৰবৰাহ চক্ৰৰ কবলৰ পৰা উদ্ধাৰ ত্ৰিপু�ৰাৰ নাবালিকা

NewzNow ডেস্ক | ১৩ নৱেম্বৰ ২০২৬, পুৱা ১০:১৭



আগৰতলা, ১৩ নৱেম্বৰ: চলচ্চিত্ৰত অভিনয়ৰ সুযোগ দিয়াৰ প্ৰলোভনেৰে বেংগালুৰুলৈ নিয়া ত্ৰিপুৰাৰ এগৰাকী নাবালিকাক সন্দেহজনক মানৱ সৰবৰাহ চক্ৰৰ কবলৰ পৰা উদ্ধাৰ কৰা হৈছে। পৰিয়ালৰ লোক, সামাজিক কৰ্মী আৰু এটা সামাজিক সংগঠনৰ সদস্যৰ সহযোগত নাবালিকাগৰাকীক উদ্ধাৰ কৰি নিৰাপদে ত্ৰিপুৰালৈ ঘূৰাই অনা হৈছে।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/2605

মনোৰঞ্জন

মুক্তিৰ অষ্টম দিনতে বিশ্বজুৰি ১,০০০ কোটিৰ ক্লাবত 'ৰামায়ণ: পাৰ্ট ১'

NewzNow ডেস্ক | ১৩ নৱেম্বৰ ২০২৬, পুৱা ১০:১৫



নতুন দিল্লী, ১৩ নৱেম্বৰ: মুক্তিৰ মাত্ৰ আঠ দিনৰ ভিতৰতে বিশ্বজুৰি ১,০০০ কোটি টকাৰ ব্যৱসায়ৰ সীমা অতিক্ৰম কৰিছে ৰণবীৰ কাপুৰ অভিনীত 'ৰামায়ণ: পাৰ্ট ১'-এ। পৰিচালক নীতেশ তিৱাৰীৰ ছবিখনে অষ্টম দিনৰ অন্তত বিশ্বজুৰি মুঠ ১,০৩৩.৫৫ কোটি টকা উপাৰ্জন কৰিছে।

ইয়াৰ লগে লগে ১,০০০ কোটি টকাৰ ক্লাবত প্ৰৱেশ কৰা ভাৰতীয় ছবিসমূহৰ তালিকাত স্থান লাভ কৰিছে ছবিখনে। ১২ নৱেম্বৰত, অৰ্থাৎ মুক্তিৰ অষ্টম দিনত, ছবিখনে ভাৰতত ৫৩.৫০ কোটি টকাৰ নিকা উপাৰ্জন কৰে। ফলত ভাৰতত ছবিখনৰ মুঠ নিকা উপাৰ্জন ৫৬৪.৬০ কোটি টকালৈ বৃদ্ধি পাইছে। ভাৰতত ছবিখনৰ মুঠ উপাৰ্জন ৬৭৫.০৫ কোটি টকা আৰু বিদেশৰ বজাৰৰ পৰা উপাৰ্জন ৩৫৮.৫০ কোটি টকা।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/2610

অসম

মাৰ্ঘেৰিটাত গোৰ্খা সাংস্কৃতিক ঐতিহ্যৰ বৰ্ণাঢ্য প্ৰতিফলন, আগছুৰ উদ্যোগত সমূহীয়া ভাতৃ দ্বিতীয়া উদযাপন।

শ্যাম যাদৱ | ১৩ নৱেম্বৰ ২০২৬, পুৱা ৯:৪৩



মাৰ্ঘেৰিটাত উৎসাহ-উদ্দীপনাৰে সদৌ অসম গোৰ্খা ছাত্ৰ সন্থাৰ উদ্যোগত সমূহীয়া 'ভাতৃ দ্বিতীয়া' উদযাপন।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/2538

আন্তঃৰাষ্ট্ৰীয়

ফিলিপাইনছলৈ প্ৰধানমন্ত্ৰী মোদী; ASEAN শীৰ্ষ সম্মিলনৰ লগতে QUAD বৈঠকতো অংশ লোৱাৰ সম্ভাৱনা

NewzNow ডেস্ক | ১৩ নৱেম্বৰ ২০২৬, পুৱা ১০:০৭



নতুন দিল্লী, ১৩ নৱেম্বৰ: দক্ষিণ-পূব এছিয়াৰ দেশসমূহৰ সৈতে ভাৰতৰ সম্পৰ্ক অধিক শক্তিশালী কৰাৰ লক্ষ্যৰে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ১৬ৰ পৰা ১৮ নৱেম্বৰলৈ ফিলিপাইনছৰ ৰাজধানী মেনিলাত অনুষ্ঠিত হ'বলগীয়া ৪৯সংখ্যক আসিয়ান শীৰ্ষ সম্মিলনত অংশগ্ৰহণ কৰিব। বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে বৃহস্পতিবাৰে প্ৰধানমন্ত্ৰীগৰাকীৰ এই ভ্ৰমণৰ কথা নিশ্চিত কৰিছে।

ভ্ৰমণকালত প্ৰধানমন্ত্ৰী মোদীয়ে ২১সংখ্যক পূব এছিয়া শীৰ্ষ সম্মিলনতো অংশগ্ৰহণ কৰিব।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/2573

ব্যৱসায়-বাণিজ্য

UPIৰ প্ৰস্তাৱিত MDR মাচুল সন্দৰ্ভত ১৫ নৱেম্বৰত সিদ্ধান্ত লোৱাৰ সম্ভাৱনা

NewzNow ডেস্ক | ১৩ নৱেম্বৰ ২০২৬, পুৱা ৯:৪০



ইউপিআই লেনদেনৰ প্ৰস্তাৱিত মাৰ্চেণ্ট ডিছকাউণ্ট ৰেট বা এমডিআৰ মাচুল সন্দৰ্ভত দেওবাৰ, ১৫ নৱেম্বৰত সিদ্ধান্ত লোৱাৰ সম্ভাৱনা আছে বুলি সূত্ৰই জনাইছে।

ভাৰতীয় ৰাষ্ট্ৰীয় পেমেণ্ট নিগমে প্ৰথমে ১৫ অক্টোবৰ, ২০২৬ৰ পৰা কাৰ্যকৰী হ'বলগীয়া সংশোধিত এমডিআৰ কাঠামোখন স্থগিত ৰাখিছিল। উৎসৱৰ বতৰ আৰু দীপাৱলীৰ প্ৰতি লক্ষ্য ৰাখি এই সিদ্ধান্ত লোৱা হৈছিল। নিগমটোৱে দীপাৱলীৰ পাছতে নিৰ্বাচিত ব্যক্তি-ব্যৱসায়ী ইউপিআই লেনদেনত এমডিআৰ বলৱৎ কৰা হ'ব বুলি কৈছিল যদিও সংশোধিত তাৰিখ পৃথকে জনোৱাৰ কথা উল্লেখ কৰিছিল।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/2563

অসম

"CAA আমি মনা নাই, CAA আমি কেতিয়াও নামানো"; পুনৰ সৰৱ ছাত্ৰনেতা সমুজ্জ্বল কুমাৰ ভট্টাচাৰ্য

NewzNow জিলা ডেস্ক | ১৩ নৱেম্বৰ ২০২৬, পুৱা ৯:৪২



গুৱাহাটী, ১৩ নৱেম্বৰ: নাগৰিকত্ব সংশোধনী আইন, ২০১৯ (CAA)ৰ বিৰুদ্ধে পুনৰ সৰৱ হৈ পৰিছে সদৌ অসম ছাত্ৰ সস্থা (AASU)।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/2562

দেশ

লাদাখত সোনম ৱাংচুকৰ ওপৰত ৬০ দিনৰ নিষেধাজ্ঞা, জনতাক উচটনি দিয়াৰ অভিযোগ

NewzNow ডেস্ক | ১২ নৱেম্বৰ ২০২৬, নিশা ৯:৩১



লেহ, ১২ নৱেম্বৰ: লাদাখৰ লেহ জিলা প্ৰশাসনে পৰিৱেশকৰ্মী তথা শিক্ষাবিদ সোনম ৱাংচুকৰ বিৰুদ্ধে ৬০ দিনৰ নিষেধাজ্ঞা জাৰি কৰিছে। ভাৰতীয় নাগৰিক সুৰক্ষা সংহিতা, ২০২৩ৰ ১৬৩ নম্বৰ ধাৰা প্ৰয়োগ কৰি এই নিৰ্দেশ জাৰি কৰা হৈছে।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/2548

অসম

শিলাবৃষ্টিত বৰফে ঢাকিল হাফলং নগৰ

NewzNow জিলা ডেস্ক | ১২ নৱেম্বৰ ২০২৬, নিশা ৯:০৯



হাফলং, বুধবাৰ: ডিমা হাছাওৰ পাহাৰীয়া নগৰ হাফলঙত বুধবাৰে প্ৰবল বৰষুণৰ সৈতে হোৱা অভূতপূৰ্ব শিলাবৃষ্টিয়ে নগৰখনক ডাঠ বৰফৰ আৱৰণেৰে ঢাকি পেলায়।

শিলাবৃষ্টিৰ পাছত হাফলঙৰ পথ, ঘৰৰ চাল আৰু মুকলি ঠাইত ডাঠ বৰফ জমা হয়। সেউজীয়া পাহাৰীয়া দৃশ্যপটে হঠাতে শীতকালীন ৰূপ লয়।

এই বিৰল দৃশ্যই স্থানীয় লোকসকলক লাডাখৰ দৰে পৰিৱেশৰ অনুভৱ দিয়ে। জমা হোৱা বৰফত শিশুসকলে খেলি আনন্দ উপভোগ কৰে।

প্ৰবল শিলাবৃষ্টিৰ পাছতো এতিয়ালৈকে কোনো সম্পত্তিৰ ক্ষয়ক্ষতি বা প্ৰাণহানিৰ খবৰ পোৱা হোৱা নাই। স্থানীয় কৰ্তৃপক্ষই জিলাখনৰ পৰিস্থিতিৰ ওপৰত নজৰ ৰাখিছে আৰু স্বাভাৱিক জীৱনযাত্ৰা পুনৰ আৰম্ভ হৈছে।

সম্পূৰ্ণ খবৰ:
https://newznow.in/news/2274

এই সংখ্যাত

১ কাজিৰঙাৰ ৰঙাজানত ভয়ংকৰ পথ দুৰ্ঘটনা, ২৫ জন লোকৰ মৃত্যু

১ ৰঙাজান দুৰ্ঘটনাত মুখ্যমন্ত্ৰীৰ শোক, আহতসকলৰ উন্নত চিকিৎসাৰ নিৰ্দেশ

১ ৰঙাজান দুৰ্ঘটনা: ঠিকাদাৰ-ৰাজনীতিকৰ মিতিৰালিৰ অভিযোগ গৌৰৱ গগৈৰ

১ ৰঙাজান দুৰ্ঘটনাত নিহতৰ পৰিয়াললৈ ২৫ লাখ টকা ক্ষতিপূৰণৰ দাবী অখিল গগৈৰ

১ কাজিৰঙা দুৰ্ঘটনা: ট্ৰেভেলাৰ ভুল লেনত অহাৰ অভিযোগ ট্ৰাকচালকৰ

২ কাজিৰঙাত দুৰ্ঘটনাগ্ৰস্ত ট্ৰেভেলাৰখনৰ বিৰুদ্ধে পূৰ্বৰ একাধিক জৰিমনা

২ 'মোৰ ফোন টেপ কৰা হৈছে': প্ৰধানমন্ত্ৰী মোদীৰ বিৰুদ্ধে ৰাহুলৰ অভিযোগ

২ মহিলা সংৰক্ষণ কাৰ্যকৰী কৰিবলৈ বিশেষ সংসদ অধিৱেশনৰ পৰিকল্পনা কেন্দ্ৰৰ

২ মণিপুৰৰ উখৰুলত দুখন বাহনক লক্ষ্য কৰি গুলীচালনা, নিহত ৪ গৰাকী

৩ ভাৰতক বিশেষ শুল্ক-সুবিধাৰ আশ্বাস আমেৰিকাৰ, বাণিজ্যচুক্তিত অগ্ৰগতি

৩ এনআৰচি প্ৰক্ৰিয়া সম্পূৰ্ণৰ বাবে চৰকাৰক চাপ দিবলৈ আছুক কংগ্ৰেছৰ আহ্বান

৩ মণিপুৰৰ 'এনী কুকি ট্ৰাইবছ' নাম বাদ দিয়াৰ কথিত প্ৰস্তাৱৰ তথ্য প্ৰকাশত অস্বীকাৰ জনজাতি পৰিক্ৰমা মন্ত্ৰালয়ৰ

৩ কাজিৰঙা দুৰ্ঘটনাৰ আহতসকলৰ বাবে ৰক্তদান কৰিব আছু-অসম সেনাই

৪ ১৫ জানুৱাৰীৰ ভিতৰত কৃষক পঞ্জীয়ন সম্পূৰ্ণ কৰাৰ নিৰ্দেশ পীযুষ হাজৰীকাৰ

৪ পলাশবাৰীত ত্ৰিমূৰ্তি শিখৰ উদ্যোগৰ বিৰুদ্ধে ৰাইজৰ প্ৰতিবাদ

৪ ২২ নৱেম্বৰত আৰম্ভ হ'ব গহপুৰ-নুমলীগড় সুৰংগ প্ৰকল্পৰ নিবিদা প্ৰক্ৰিয়া; শ্ৰহীদ কনকলতা বৰুৱা বিশ্ববিদ্যালয়ত মুখ্যমন্ত্ৰী

৪ ৰৌতা পৌৰসভা ভংগৰ দাবীত অৱস্থান ধৰ্মঘট

৫ পুৰীলৈ যোৱাৰ পথত ভয়ংকৰ দুৰ্ঘটনা, ট্ৰাকত খুন্দা বাছৰ, আহত ১৬জন

৫ জাগীৰোডৰ শিলচাঙত বন্যহস্তীৰ মৃতদেহ উদ্ধাৰ, মূৰত দুটাকৈ গুলীৰ চিন

৫ মোবাইল সেৱাৰ মাচুল বৃদ্ধিৰ পোষকতা এয়াৰটেলৰ অধ্যক্ষ সুনীল মিত্তলৰ

৫ ৰসগোল্লা মুখত দিয়াৰ লগে লগে বিস্ফোৰণ! মৃত্যু যুৱক

৬ মণিপুৰ হিংসা তদন্ত আয়োগৰ সময়সীমা সপ্তমবাৰৰ বাবে বৃদ্ধি

৬ মাইক্ৰ'ছফটৰ বিভ্ৰান্তিৰ বাবে দিল্লীৰ পৰা বাতিল স্পাইচজেটৰ ৩খন বিমান

৬ আইতাকৰ শেষকৃত্যত অংশ ল'বলৈ অমৃতপাল সিঙক এদিনৰ অন্তৰ্তীকালীন জামিন

আৰু ২১টা খবৰ ভিতৰৰ পাততে

NewzNow ই-কাকত: প্ৰতিদিনে সন্ধিয়া newznow.in/epaper-ত। প্ৰতিটো খবৰৰ সম্পূৰ্ণ বিৱৰণ, ভিডিঅ' আৰু আপডেট newznow.in-ত পঢ়ক।
খবৰ শুনক: newznow.in/listen